# REPORT ON INSTITUTION HAVING INDIGENOUS FEATURES

**Session : 2021-2022**

# HOME ASSIGNMENT


**Name: Miss Puja Majhi.**

**Sub: Education. (Honours)**

**Paper Code: 401**

**Paper Name : Education in Pre-Indipendent India**

**Class: B.A. 4$^{th}$ Semester.**

**Roll No.: 20**


Head
Deptt. of Education
H.C.D.G. College,

## সূচীপত্র                                                    পৃষ্ঠা


১.০ উপস্থাপন (INTRODUCTION) ---------- 01-02

২.০ বিৱৰণ (DESCRIPTION) ---------- 02-13

৩.০ সমাজত প্ৰভাৱ (IMPACT ON SOCIETY)- 13-14

৪.০ সামৰণি (CONCLUSION) ---------- 15


Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri

## ১.০ উপস্থাপন (Introduction)

দেশৰ মাটিতে দেশীয় ব্যক্তিবৰ্গৰ দ্বাৰা পৰিকল্পিত, প্ৰতিষ্ঠিত, পৰিচালিত শিক্ষা ব্যৱস্থাকে দেশীয় শিক্ষা ব্যৱস্থা বোলা হয়। দেশীয় শিক্ষা ব্যৱস্থা বুলিলে ইংৰাজ সকল ভাৰতলৈ অহাৰ আগলৈকে ভাৰতবৰ্ষত প্ৰচলন হৈ থকা গুৰুকুল, টোল, পাঠশালা, মুছলমান ৰাজত্ব কালত প্ৰচলন হোৱা মোক্তব, মাদ্ৰাছা আদিৰ কথাকে বুজা যায়।

অতীতৰ শিক্ষা ব্যৱস্থাৰ ইতিহাসৰ পাত লুটিয়াই চালে দেখা যায় যে সেই সময়ত শিক্ষাৰ দায়িত্ব কোনেও বহন কৰা নাছিল। বৰং কিছুমান বিদ্যানুৰাগী মনিষীয়ে নিজৰ গৃহতে ছাত্ৰাবাস স্থাপন কৰি ছাত্ৰ সকলক শিক্ষা দিছিল। এই প্ৰথাটোক 'গুৰুকুল' বুলি জনা যায়। এই প্ৰথাত গুৰুৱেই আছিল শিক্ষাৰ মূল কেন্দ্ৰ। ইয়াৰ পিছতে টোল, পাঠশালা নামৰ দুবিধ শিক্ষানুষ্ঠানৰ প্ৰচলন হ'ল, য'ত শিক্ষাৰ আনুষ্ঠানিকতা পালন কৰা হৈছিল। ইয়াৰ লগতে মুছলমান ৰাজত্ব কালত মোক্তব আৰু মাদ্ৰাছা নামৰ দুবিধ শিক্ষানুষ্ঠানে গা কৰি উঠে।

ব্ৰিটিছ শাসনকালত ৰাজকীয় পৃষ্ঠপোষকতাৰ অভাৱত দেশীয় শিক্ষা ব্যৱস্থা সু-পৰিকল্পিত ৰূপে পৰিচালিত হ'ব পৰা নাছিল। দেশীয় শিক্ষানুষ্ঠানবোৰ ভাৰতৰ বিস্তৃত ভিতৰুৱা গ্ৰামাঞ্চলবোৰত অসংগঠিত আৰু অনানুষ্ঠানিক শিক্ষা তথা শিক্ষকৰ ব্যক্তিগত গৃহ পৰিৱেশত পৰিচালিত হৈছিল। সেই সময়ত এনে শিক্ষাই গ্ৰামাঞ্চলৰ লোক সকলৰ ধৰ্মীয়, সামাজিক আৰু সাম্প্ৰদায়িক প্ৰয়োজনবোৰ পূৰণ কৰিছিল।

Head
Deptt. of Education
H.C.D.G. College ... Nakhuri

সেয়েহে আনুষ্ঠানিক শিক্ষা লাভ নকৰা গাৱলীয়া লোকসকলক ব্ৰিটিছ সকলে অন্ধ, নিৰক্ষৰ, অশিক্ষিত তথা অসাংস্কৃতিক হিচাপে বিবেচনা কৰিছিল। কিন্তু প্ৰকৃততে আনুষ্ঠানিক শিক্ষাৰ যোগ্যতাৰ মানপত্ৰ লাভৰ ব্যৱস্থা নাথাকিলেও দেশীয় শিক্ষানুষ্ঠানবোৰে ভাৰতীয় সকলৰ ধৰ্মীয় আৰু সামাজিক জীৱনত শিক্ষাৰ প্ৰয়োজনীয়তা পূৰণ কৰি আছিছিল।

সেয়েহে, উক্ত আলোচনাৰ পৰিপ্ৰেক্ষিতত "দেশীয় শিক্ষাৰ অনুষ্ঠান সমূহৰ প্ৰকৃতি সম্পৰ্কে অৱগত কৰা হ'ল।

2.0 বিৱৰণ (Description):

১৯ শ শতিকাৰ আৰম্ভণিতে ভাৰতত দেশীয় শিক্ষা দানৰ বিভিন্ন অনুষ্ঠান আছিল। এই সমূহক তাৰ শিক্ষাদানৰ বৈশিষ্ট্যৰ যমলৰ পৰা সাধাৰণ ভাৱে তিনিটা ভাগত ভাগ কৰিব পাৰি। এই ভাগ কেইটাৰ বিষয়ে তলত কিছু আলোক পাতি ধৰা হ'ল — (১) প্ৰাচীন শিক্ষাৰ শিক্ষানুষ্ঠান

(২) দেশীয় প্ৰাথমিক স্কুল

(৩) ব্যক্তিগত অথবা পাৰিবাৰিক অনুষ্ঠান

১) প্ৰাচীন শিক্ষাৰ অনুষ্ঠান: প্ৰাচীন শিক্ষাৰ শিক্ষানুষ্ঠান-ৰ স্কুলৰ ভিতৰত পাঠশালা আৰু উচ্চ শিক্ষাৰ সংস্কৃত টোল সমূহ আৰু মুছলমান সকলৰ মক্তাব আৰু মাদ্ৰাছা আদি অন্তৰ্ভুক্ত কৰিব পাৰি। ইয়াত ধৰ্মীয় শিক্ষাৰ প্ৰচলন আছিল, য'ত পণ্ডিত আৰু মৌলবী সকলে শিক্ষা পৰিচালনা কৰিছিল। শিক্ষাৰ মাধ্যম আছিল পুৰণি সংস্কৃত আৰু ফাৰ্চী ভাষা। অৱশ্যে কিছুমান অনুষ্ঠানৰ নিম্নবৰ্গীয়া স্কুলসমূহও

Head
Deptt. of Education
... College, Nitaipukhuri

আছিল। ইয়াৰ শিক্ষক সকল আছিল একো একোজন পণ্ডিত আৰু শিক্ষকতা কৰাটো আছিল তেওঁলোকৰ ধৰ্মীয় কৰ্তব্য। ৰজা ঘৰৰ দান বৰঙণিৰ উপৰিও স্থানীয় অৱস্থাপন্ন আৰু ধাৰ্মিক লোকসকলৰ আৰ্থিক সাহায্যৰ যোগেদি ইয়াৰ শিক্ষা পৰিচালিত হৈছিল। ৰজাই এনে শিক্ষা ব্যৱস্থাত কোনো হস্তক্ষেপ কৰা নাছিল। শিক্ষক সকলৰ পাৰিশ্ৰমিক আছিল অতি সামান্য আৰু তেওঁলোকে ছাত্ৰসকলক থকা-খোৱা আৰু ভৰণ-পোষণৰ দায়িত্বও লব লগা হৈছিল। এই শিক্ষাৰ মূল উদ্দেশ্য আছিল ছাত্ৰ সকলক পণ্ডিত আৰু মৌলবী কৰি তুলি ধৰ্মীয় শিক্ষাৰ পৰম্পৰা ৰক্ষা কৰা। প্ৰাচীন ভাষা শিক্ষাৰ এই স্কুল সমূহৰ শিক্ষা সেয়েহে সৰ্বসাধাৰণ লোকৰ ব্যৱহাৰিক জীৱনৰ প্ৰয়োজনমুখী নাছিল। এই সমূহ স্কুলৰ পুৰণি ভাবধাৰা, সংৰক্ষণশীল মনোভাব আৰু আওপুৰণি শিক্ষাদান পদ্ধতিৰ বাবে পৰিৱৰ্তিত সময় আৰু পৰিস্থিতিত খাপ খাই চলিব পৰা নাছিল।

2) **দেশীয় প্ৰাথমিক স্কুল** : এইবিধ স্কুল দেশৰ সৰ্বসাধাৰণ লোকৰ আৰ্থ-সামাজিক প্ৰয়োজন পূৰণৰ প্ৰতি লক্ষ্য ৰাখি প্ৰস্তুত কৰি তোলা হৈছিল। ধৰ্মীয় অনুভূতি আৰু প্ৰভাৱৰ পৰা মুক্ত হোৱা বাবে সমাজৰ সকলো শ্ৰেণী লোকৰ ছাত্ৰই ইয়াত শিক্ষাৰ সুবিধা পাইছিল। আধুনিক ভাৰতীয় ভাষা সমূহ ইয়াৰ শিক্ষাৰ মাধ্যম আছিল আৰু লিখা-পঢ়া আৰু সংখ্যা-জ্ঞান দিয়াৰ মাজতেই ইয়াৰ অভিজ্ঞতা আবদ্ধ আছিল। এনে স্কুলত কোনো নামজ্বলা পণ্ডিতে শিক্ষকতা কৰা নাছিল। সাধাৰণ শিক্ষকে অতি সামান্য পাৰিশ্ৰমিকতে শিক্ষাৰ্থী সকলক শিক্ষাদান কৰিছিল।

Head
Deptt. of Education
H.C.D.G. College

সমাজৰ লোকৰ প্ৰয়োজন পূৰণ কৰাটো তেওঁলোকৰ কৰ্তব্য বা উদ্দেশ্য নাছিল। সমাজৰ ধনী আৰু অৱস্থাপন্ন লোক আৰু জমিদাৰ সকলৰ দান বৰঙণিৰে এইবিধ স্কুলৰ আৰ্থিক প্ৰয়োজন পূৰণ কৰা হৈছিল। এইবিধ স্কুলত স্থানীয় লোকৰ প্ৰয়োজন অনুসৰি শিক্ষাৰ সময় নিৰ্ধাৰণ কৰা হৈছিল। ইয়াত হৰিজন লৰা-ছোৱালীৰ বাবে শিক্ষা নিষিদ্ধ আছিল। ইয়াত উল্লেখিত যে শিক্ষকৰ অবৰ্তমানত এইবিধ স্কুলত উচ্চ শ্ৰেণীৰ ছাত্ৰই নিম্ন শ্ৰেণীৰ ছাত্ৰক শিক্ষা দিয়াৰ ব্যৱস্থা আছিল। ইয়াৰ পৰাই বিখ্যাত মনিটৰিয়েল প্ৰথাৰ সৃষ্টি হৈছিল।

৩) ব্যক্তিগত অথবা পাৰিবাৰিক অনুষ্ঠান ঃ এইবিধ শিক্ষা কেন্দ্ৰক প্ৰকৃত অৰ্থত স্কুল বুলিব নোৱাৰি। কাৰণ ইয়াৰ শিক্ষা ব্যক্তিগত ভাৱে পৰিয়ালৰ মাজতেই আবদ্ধ আছিল। সমাজৰ উচ্চ শ্ৰেণী লোকৰ ল'ৰা ছোৱালীৰ শিক্ষাৰ বাবে পিতৃ-মাতৃয়ে নিজ ঘৰতেই গৃহ শিক্ষকৰ ব্যৱস্থা কৰিছিল। এই সকল লোকৰ ভিতৰত উচ্চ পদস্থ, ৰাজকীয় পৰিয়াল, জমিদাৰ সকল আৰু ব্যৱসায়ী লোকসকল উল্লেখ যোগ্য। এনে পৰিয়ালৰ লোকসকলে নিজৰ সন্তানক সাধাৰণ স্কুলত সাধাৰণ ল'ৰা-ছোৱালীৰ লগত সাধাৰণ শিক্ষা গ্ৰহণ কৰাটো মুঠেই গ্ৰহণ কৰা নাছিল আৰু সেয়েহে এনে শিক্ষাকেন্দ্ৰ গঢ় দি তুলিছিল। উচ্চ বংশৰ পৰিয়ালৰ সাংস্কৃতিক ঐতিহ্য ৰক্ষা কৰি চলাটোৱেই এইবিধ গৃহশিক্ষা কেন্দ্ৰৰ প্ৰধান উদ্দেশ্য আছিল।

দেশীয় শিক্ষাৰ অনুষ্ঠানসমূহ ঃ অতি প্ৰাচীন কালৰ

Head
Dept. of Education
H.C.D.G. College, Nitaipukhuri

পৰাই ভাৰতৰ শিক্ষা ব্যৱস্থা চলি অহা দেখা গৈছে। সেই সময়ত ভাৰতৰ শিক্ষা ব্যৱস্থা পুৰুষানুক্ৰমে প্ৰচলিত আছিল। ভাৰতবৰ্ষৰ পুৰণি শিক্ষা ব্যৱস্থা বিশেষভাৱে তাৎপৰ্য পূৰ্ণ আছিল। ভাৰতৰ শিক্ষা ব্যৱস্থাক তিনিটা ভাগত ভাগ কৰা হৈছিল। সেই কেইটা হৈছে — বৈদিক যুগৰ শিক্ষা, বৌদ্ধ যুগৰ শিক্ষা আৰু মধ্য যুগৰ শিক্ষা। প্ৰাচীন ভাৰতৰ শিক্ষালৈ সামাজিক পৰিৱৰ্তনে এক নতুন ৰূপ আনিছিল। ভাৰতৰ শিক্ষাৰ এক জটিল সন্ধিক্ষণত খ্ৰীষ্টান মিছনেৰী-সকল আৰু বৃটিছ সকল ভাৰতলৈ আহিছিল। তেওঁলোকে ভাৰতত ধৰ্ম প্ৰচাৰ তথা নিজা সুবিধাৰ বাবে শিক্ষা ব্যৱস্থা আৰম্ভ কৰে। সেই সময়ত বৰ্তি থকা শিক্ষানুষ্ঠান সমূহেই দেশীয় শিক্ষানুষ্ঠান আছিল। সেই সময়ত শিক্ষা প্ৰদান কৰা বিভিন্ন দেশীয় শিক্ষানুষ্ঠান সমূহৰ বিষয়ে তলত আলোচনা কৰা হল।

ক) মঠ (Monastary): ভাৰতৰ শিক্ষাৰ বুৰঞ্জীত বৌদ্ধ শিক্ষাৰ প্ৰভাৱ অতি ব্যাপক। ব্ৰাহ্মণিক শিক্ষা ব্যৱস্থাৰ পাছতে বৌদ্ধ শিক্ষাই প্ৰসাৰতা লাভ কৰিছিল। বৌদ্ধ শিক্ষা ব্যৱস্থাৰ শিক্ষা কেন্দ্ৰসমূহক মঠ বুলি কোৱা হয়। এই সমূহৰ যোগেদিয়ে ভাৰতবৰ্ষত বৌদ্ধ শিক্ষাৰ ব্যৱস্থা সম্প্ৰসাৰণ হৈছিল। মঠ সমূহৰ লগত সম্পৰ্ক নোহোৱাকৈ কোনো ধৰণৰ বৌদ্ধ শিক্ষা ব্যৱস্থা প্ৰচলন হোৱা নাছিল। এই শিক্ষা ব্যৱস্থা-



মঠ (Monastary)

Deptt. of Education
H.C.D.G. College, Nitaipukhuri

-ৰ মূল লক্ষ্য আছিল মুক্তি তথা নিৰ্বাণ লাভ কৰা।

অতীত বৌদ্ধ শিক্ষা ব্যৱস্থা বৌদ্ধ মঠক কেন্দ্ৰ কৰিয়েই গঢ় লৈ উঠিছিল। বৌদ্ধ শিক্ষাৰ দুখ যন্ত্ৰণাৰ দৰ্শনে মঠ ব্যৱস্থাৰ জন্ম দিছিল। প্ৰথমে বৌদ্ধ বিহাৰবোৰে-ই আছিল বৌদ্ধ শিক্ষাৰ প্ৰাণকেন্দ্ৰ। কালক্ৰমত এই বিহাৰ সমূহেই মঠ বুলি পৰিগণিত হৈছিল। মঠবোৰ বৌদ্ধ শিক্ষাৰ কেন্দ্ৰবিন্দু হিচাপে গঢ়ি উঠাত গোটেই শিক্ষা ব্যৱস্থা টোৱেই মঠভিত্তিক শিক্ষালৈ পৰিণত হ'ল। নতুন শিক্ষাৰ্থীসকলে মঠ সমূহত নাম ভৰ্তি কৰি ন-শিকাৰু হিচাপে পবিত্ৰ জীৱন-যাপন কৰিবলৈ প্ৰতিজ্ঞাবদ্ধ হৈছিল। মঠসমূহ শিষ্যসকলৰ আবাসিক স্থান বুলে পৰিগণিত হৈছিল। বৌদ্ধ শিক্ষাৰ শিক্ষাৰ্থী সকলক বৌদ্ধ ভিক্ষু বোলা হৈছিল। অতীতত এই মঠ সমূহ বন-খনেৰে পৰিপূৰ্ণ আৰু ভাৰতৰ প্ৰথম গু-অং ভিত্তি শিক্ষানুষ্ঠান আছিল। মঠসমূহে সেই সময়ৰ শিক্ষাৰ্থী সকলক নৈতিক শিক্ষা প্ৰদান কৰাত সহায়ক হৈছিল। দেশীয় শিক্ষাৰ অনুষ্ঠান হিচাপে মঠসমূহৰ ভূমিকা আজিও সমাজে স্মৰণ কৰে।



টোল (Tol)

খ) টোল (Tol) : অতীত ভাৰতত টোলবিলাক আছিল উচ্চ শিক্ষাৰ প্ৰধান কেন্দ্ৰ। এই টোলবিলাকক চতুষ্পাঠীও বোলা হৈছিল। এই টোলবিলাকত শিক্ষা-ৰ মাধ্যম আছিল সংস্কৃত। সেই সময়ত টোলবিলাক মন্দিৰৰ লগত সংযুক্ত আছিল। সেই

Dept. of Education
H.C.D.G. College, Nitaipukhuri

সময়ৰ শিক্ষানুষ্ঠানবোৰৰ ভিতৰত কাশী, মথুৰা, মিথিলা, নদিয়া, হৰিদ্বাৰ, উজ্জয়িনী আদিয়েই প্ৰধান। তেনে টোলত বহু দূৰ দূৰণিৰ শিক্ষাৰ্থীয়ে আহি সংস্কৃত শিক্ষা লাভ কৰিছিল। পুৰণি শিক্ষানুষ্ঠান সমূহৰ ভিতৰত টোলবোৰৰ প্ৰকৃতি বেলেগ ধৰণৰ আছিল। ভাৰতত সংস্কৃতৰ জ্ঞান বিস্তাৰ কৰিবৰ কাৰণে টোল সমূহ স্থাপন কৰা হৈছিল।

ভাৰতবৰ্ষত এই টোলবোৰে পৰম্পৰাগত শিক্ষাৰ বিকাশত বিশেষ অবিহণা যোগাই আহিছে। আমাৰ দেশত জমিদাৰী প্ৰথা প্ৰচলন হোৱাৰ পাছৰে পৰা টোলবোৰ আৰম্ভ হৈছিল। এই টোলবোৰত শিক্ষাৰ্থী সকলৰ বাবে খোৱা শোৱা-শিক্ষা আদিৰ বিনামূলীয়া ব্যৱস্থা আছিল। এই টোল সমূহলৈ ৰাষ্ট্ৰ আৰু ৰাইজে এক বুজন পৰিমাণৰ অৰ্থ সাহায্য আগবঢ়াইছিল। ভাৰতৰ গ্ৰাম্য অঞ্চলৰ শিক্ষক সকলে খেৰ-বাঁহৰ ঘৰ, ঘৰৰ সন্মুখৰ মুকলি ঠাই, ডাঙৰ গছৰ ছাঁ, ঘৰৰ বাৰাণ্ডা, চোতাল, বাগিচা আদিত শিক্ষাৰ্থী সকলক শিক্ষা প্ৰদান কৰিছিল। বহুতো পণ্ডিতে নিজৰ ঘৰতে টোল পাতি ছাত্ৰ সকলক নিজৰ তত্ত্বাৱধানত উচ্চ শিক্ষা প্ৰদান কৰিছিল। একোখন টোলে ২৫ জনকৈ শিক্ষাৰ্থীক শিক্ষা প্ৰদান কৰিছিল। ইয়াৰ শিক্ষাৰ সময় আছিল ৮ৰ পৰা ১২ বছৰ।

বৰ্তমান এই টোলবোৰৰ উদ্দেশ্য হৈছে অতীত সংস্কৃতি আৰু পৰম্পৰাক সংৰক্ষণ কৰা। বৰ্তমান সময়তো চলি থকা কেইখনমান টোল হৈছে পুণ্যাশ্ৰম চতুষ্পাঠী, কৰেঙা সংস্কৃত টোল, আউনীআটী সত্ৰ সংস্কৃত টোল ইত্যাদি।

গ) পাঠশালা (Pathsala): পাঠশালা সমূহ অতীতত হিন্দু

Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri

সমাজৰ শিশুসকলক প্ৰাথমিক শিক্ষা প্ৰদান কৰাৰ কেন্দ্ৰবিন্দু আছিল। এই শিক্ষানুষ্ঠানসমূহত পণ্ডিত সকলে সংস্কৃত ভাষাৰ মাধ্যমত ব্যৱহাৰিক জীৱনৰ বাবে প্ৰয়োজন হোৱা বিভিন্ন বিষয়ৰ শিক্ষা প্ৰদান কৰিছিল। এই পাঠশালাসমূহত শিক্ষকসকলে যত্ন সহকাৰে আৰু মনোযোগেৰে পাঠদান কৰাটো এক পৱিত্ৰ কৰ্তব্য আছিল। এই শিক্ষানুষ্ঠান বিলাক মন্দিৰ বা মঠবোৰত



পাঠশালা (Pathsala)

প্ৰতিষ্ঠা কৰা হৈছিল দেশীয় চৰকাৰে এই শিক্ষানুষ্ঠানসমূহলৈ আৰ্থিক সাহায্য প্ৰদান কৰিছিল। পাঠশালা সমূহত শিক্ষকৰ দৰমহা একেবাৰে কম আছিল। এই সমূহত প্ৰশাসনৰ ক্ষেত্ৰত শাসকসকলে হস্তক্ষেপ কৰিবলৈ দিয়া নাছিল। অনুষ্ঠানসমূহেই শিক্ষাৰ্থীক থকা খোৱাৰ সুবিধা দিছিল। পাঠশালা সমূহে ভাৰতীয় সমাজক বৌদ্ধিক দিশত আগুৱাই নিয়াৰ শিক্ষা প্ৰদান কৰিছিল। পাঠশালা সমূহৰ পাঠ্যক্ৰমত ৰামায়ণ, মহাভাৰত সাহিত্য, গণিত, ব্যাকৰণ, সামাজিক শিক্ষা, বিজ্ঞান, মাটিৰ জৰীপ হিচাপ পৰীক্ষা আদি বিষয়বোৰ অন্তৰ্ভুক্ত কৰা হৈছিল। ইয়াত শিক্ষাৰ্থীৰ হাতৰ আখৰ সুন্দৰ কৰাৰ ওপৰত বিশেষ গুৰুত্ব দিছিল। ইয়াত শিক্ষক শিক্ষাৰ্থীৰ সম্বন্ধ পিতা-পুত্ৰৰ দৰে আছিল আৰু শিক্ষাৰ্থীয়ে শিক্ষকৰ সকলো আদেশ-নিৰ্দেশ মানি চলিব লাগিছিল। ইয়াত হিন্দু ছাত্ৰৰ লগতে মুছলমান ছাত্ৰইও শিক্ষা লোৱাৰ ব্যৱস্থা আছিল। আমাৰ দেশৰ বহুত ঠাইত এই পাঠশালা সমূহ চলি থকা প্ৰমাণ পোৱা যায়।

খ) মোক্তাব (Muktab): মোক্তাব বিলাক মুছলমান সকলৰ

Dept. of Education
H.C.D.G. College, Nitaipukhuri

প্ৰাথমিক শিক্ষাৰ অনুষ্ঠান। মোক্তাব শব্দটো 'কুতুব' শব্দৰ পৰা আহিছে। এই কুতুব শব্দৰ অৰ্থ হৈছে লিখিবলৈ শিকোৱা ঠাই। মোক্তাবৰ শিক্ষা কাৰ্য একোজন মৌলবীয়ে চলায়। যেতিয়া ইছলাম ধৰ্মাৱলম্বী লোক সকলৰ সন্তান ৪ বছৰ ৪ মাহ ৪ দিন হয় একোটা উৎসৱ পাতি মোক্তাবত ভৰ্তি কৰোৱা হয়। মোক্তাব সমূহে ৰজা-মহাৰজা, জমিদাৰ, ধনী, ধাৰ্মিক লোকসকলৰ পৰা আৰ্থিক




মোক্তাব (Muktab)

সাহায্য লাভ কৰিছিল। ইয়াত লিখা-পঢ়া, গণনাৰ লগতে ফাৰ্চী, আৰবী আৰু কোৰানৰ শিক্ষাও প্ৰদান কৰা হয়। মোক্তাব বিলাক প্ৰায় মছজিদৰ লগতে সংযুক্ত হৈ থাকে। সাধাৰণ লোকসকলৰ লগতে ৰজা, মহাৰজা, ধনী-মানী জমিদাৰ পৰিয়ালৰ সন্তানেও মোক্তাবত শিক্ষা গ্ৰহণ কৰিছিল।

এনে মোক্তাব বিলাকত মুছলমানৰ লগতে হিন্দু ছাত্ৰয়ো শিক্ষা লাভ কৰিছিল। মোক্তাব বহুত সময়ত প্ৰাথমিক শিক্ষক সকলেই পৰিচালনা কৰিছিল। এনে বিদ্যালয়ত ছোৱালীয়েও শিক্ষা লাভৰ সুবিধা পাইছিল।

(৬) মাদ্ৰাছা (Madrasa): মাদ্ৰাছা হৈছে মুছলমান সকলৰ উচ্চ শিক্ষাৰ অনুষ্ঠান। এনে শিক্ষানুষ্ঠানত ছাত্ৰ সকলে মোক্তাবৰ শিক্ষা সাং কৰাৰ পাছতহে পঢ়িবলৈ সুযোগ পাইছিল। মাদ্ৰাছা বিলাকো মছজিদৰ




মাদ্ৰাছা (Madrasa)

Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri

লগতে সংলগ্ন হৈ আছিল। মাদ্ৰাছাত মৌলবী সকলৰ উপৰি বিখ্যাত পণ্ডিত সকলেও বিভিন্ন বিষয়ৰ ওপৰত বক্তৃতা দিছিল মাদ্ৰাছাবিলাক ৰজা, মহাৰজা, ধনী আৰু ধৰ্মপ্ৰাণ লোকৰ দান বৰঙণিৰে পৰিচালিত হৈছিল।

মাদ্ৰাছাত প্ৰদান কৰা শিক্ষাৰ পাঠ্যক্ৰম ধৰ্ম আৰু ধৰ্মনিৰপেক্ষ দুয়োপ্ৰকাৰৰেই আছিল। ইয়াত ধৰ্মগ্ৰন্থ কোৰান হজৰত মহম্মদৰ বাণী, মুছলমান সম্প্ৰদায়ৰ আইন আদি অধ্যয়নৰ ওপৰত গুৰুত্ব দিছিল। মাদ্ৰাছাত আৰবী পাৰ্চী ভাষাৰ ব্যাকৰণ, সাহিত্য, দৰ্শন, তৰ্কশাস্ত্ৰ, আইন, জ্যোতিষ, অংক, ভূগোল, বুৰঞ্জী, কৃষি আদি শিকোৱা হৈছিল। ইয়াত বহুতো হিন্দু ছাত্ৰই পাৰ্চী ভাষা শিকাৰ বাবে নামভৰ্তি কৰিছিল। মাদ্ৰাছা সমূহত আৰবী আৰু পাৰ্চী ভাষাৰ মাধ্যমেৰে মৌলবী, পণ্ডিত সকলে শিক্ষাদান কৰিছিল। ৰাষ্ট্ৰৰ ফালৰ পৰাও মাদ্ৰাছাবোৰলৈ অৰ্থ সাহায্য আগবঢ়োৱা হৈছিল। ইছলামীয় উচ্চ শিক্ষাকেন্দ্ৰ বোৰৰ ভিতৰত দিল্লী, আগ্ৰা, লাহোৰ, শিয়ালকোট, আম্বালা, গোৱালিয়ৰ আদি উল্লেখযোগ্য। দিল্লী যেই হৈছে সবাতোকৈ পুৰণি মাদ্ৰাছা আৰু ইয়াক বাদছাহ হুমায়ুনে স্থাপন কৰিছিল।

চ) সত্ৰ (Satra): সত্ৰ বিলাক হ'ল অসমৰ থলুৱা শিক্ষানুষ্ঠান। সত্ৰ অসমৰ সমাজ ব্যৱস্থাত প্ৰচলিত এক বিশেষ ধৰণৰ সামাজিক অনুষ্ঠান। শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱে অসমৰ



সত্ৰ (Satra)

Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri

বিভিন্ন স্থানত নামধৰ্ম প্ৰচাৰৰ বাবে সত্ৰ স্থাপন কৰিছিল। এই সত্ৰ সমূহত নামধৰ্ম প্ৰচাৰৰ লগে লগে শিক্ষাৰ কেন্দ্ৰত পৰিণত হৈছিল। এইবোৰে কলা-সংস্কৃতি, শিল্প মলুৱা নৃত্য-গীতৰ চৰ্চা, ভাওনা সবাহৰ মাধ্যমত অশিক্ষিত মলুৱা জনসাধাৰণক নানাধৰণে শিক্ষাৰ পোহৰ বিলোৱাত বৰঙণি যোগাইছিল। আগেৰ আগৰ সত্ৰবোৰৰ সন্মুখত একো একোখন সংস্কৃত টোলো আছিল। মন সমাজত কলা সংস্কৃতিৰ মূল কেন্দ্ৰ হিচাপে সত্ৰ সমূহে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। সত্ৰীয়া সংগীত, সত্ৰীয়া নৃত্য, সত্ৰীয়া ভাওনা-সবাহ, উৎসৱ-অনুষ্ঠানে প্ৰত্যক্ষ আৰু পৰোক্ষ শৈক্ষিক প্ৰভাৱৰ দ্বাৰা সমগ্ৰ অসমীয়া জাতিক প্ৰভাৱান্বিত কৰিছিল। অতীজৰে পৰা অসমৰ জনসাধাৰণৰ নৈতিক চৰিত্ৰ গঠন, সংযম, পৰিশ্ৰমৰ আদৰ্শ আদৰ্শ ব্যক্তিত্ব গঢ়ি তোলাত সত্ৰবোৰে বিশেষ ভূমিকা পালন কৰি আহিছে। সত্ৰ সমূহত একাত্মতাবোধ বাৰম্বাৰে প্ৰকাশিত হৈছিল। গুৰুৰ ওচৰত শৰণ লৈ সমগ্ৰ জীৱন সংযমৰ মাজেদি নিৰ্বাহ কৰাৰ সত্ৰ আদৰ্শ সমূহে পৰাই সত্ৰৰ শিক্ষাই প্ৰদান কৰে।

সত্ৰ সমূহত পুৰণি আপুৰুগীয়া পুথি সংগ্ৰহ কৰি থোৱা আছে। সত্ৰবোৰত নৃত্য-ভাওনা আদিৰ উপৰিও দৌল উৎসৱ, ৰাস উৎসৱ আদিও অনুষ্ঠিত কৰা হৈছিল। বৰ্তমানেও বহু সত্ৰত এইবোৰ অনুষ্ঠিত কৰা হয়।

ছ) <u>নামঘৰ (Namghar)</u>: নামঘৰ অসমীয়া সমাজৰ এক অতি পুৰণি সামাজিক অনুষ্ঠান। নামঘৰত অতীতৰ পৰাই বিভিন্ন সামাজিক তথা ধৰ্মীয় কাৰ্যসূচী ৰূপায়ণ কৰা হৈছিল।

Head
Dept. of Education
H.C.D.G. College, Nitaipukhuri

অসমত নামঘৰ প্ৰতিষ্ঠা কৰে মহাপুৰুষ শংকৰদেৱে। এই নামঘৰ শব্দৰ অৰ্থ হ'ল 'প্ৰাৰ্থনা গৃহ'। তেওঁ জনসাধাৰণৰ মাজত একতা, মৈত্ৰী, সাম্য আদি প্ৰতিষ্ঠা কৰিবৰ কাৰণে নামঘৰ কৰিছিল। ড° বাণীকান্ত কাকতীয়ে নামঘৰ সম্পৰ্কত মত পোষণ কৰিছিল যে "গাঁৱলীয়া অঞ্চলত প্ৰতিটো নামঘৰেই একোখন সংসদ, বিদ্যালয়, আৰু গীৰ্জাৰ দৰেই কাম কৰিছিল।" নামঘৰত আজিৰ পৰা প্ৰায় ৫০০ বছৰৰ আগৰ পৰা ভাওনা আদি অনুষ্ঠিত হৈ আহিছে। বৰ্তমানৰ নামঘৰ সমূহক গণতন্ত্ৰৰ এক বাস্তৱ নিদৰ্শন বুলি ক'ব পাৰি।

অসমৰ নগৰ, চহৰ আৰু গাঁও আদি সকলো ঠাইতে সৰু-বৰ সকলো ধৰণৰ নামঘৰ বিৰাজমান। আমাৰ সমাজৰ সাম্যবাদী সমাজ প্ৰতিষ্ঠা ক্ষেত্ৰত নামঘৰৰ ভূমিকা অত্যাধিক বুলি কব পাৰি। এই নামঘৰ সমূহত সমাজৰ প্ৰায়বিলাক ব্যক্তিয়ে বিভিন্ন তিথি উৎসৱ আদিত সমবেত হয়।



নামঘৰ (Namghar)

বৰ্তমান নামঘৰক সামাজিক, সাংস্কৃতিক, পবিত্ৰ আৰু আধ্যাত্মিক শিক্ষাৰ কেন্দ্ৰবিন্দু বুলি কোৱা হয়। অসমৰ কেই উল্লেখযোগ্য নামঘৰ হৈছে গোলাঘাটৰ আঠখেলীয়া নামঘৰ, সৰুথেবাৰীৰ পাটখেলীয়া নামঘৰ, যোৰহাটৰ ঢেকীয়াখোৱা বৰনামঘৰ, বৰদোৱা নামঘৰ, ভালুকী নামঘৰ, বৰপেটাৰ কীৰ্তনঘৰ, বিষ্ণুপুৰীয়া নামঘৰ, শংকৰদেৱ নামঘৰ, শিলং নামঘৰ ইত্যাদি।

Head
Dept. of Education
H.C.D.G. College, Nitaipukhuri

বৰ্তমান দেখা পোৱা গৈছে যে শিক্ষাত নামঘৰৰ ভূমিকা অত্যধিক। নামঘৰৰ যোগেদি জনসাধাৰণৰ মাজত মিলাপ্ৰীতি, সামাজিক সংহতি, সহযোগৰ ভাব, চিন্তাধাৰা আৰু নৈতিক চৰিত্ৰ গঢ় লৈ উঠে।

এই সমূহক কেন্দ্ৰ কৰিয়েই অসমৰ গ্ৰাম্য সমাজ বৰ্তমান সময়তো প্ৰকাশিত হৈ আছে।

৩.০ সমাজত প্ৰভাৱ (Impact of Society):

দেশীয় বা স্থলুৱা শিক্ষাৰ অনুষ্ঠান সমূহে বৰ্তমান সমাজ ব্যৱস্থাত শিক্ষাৰ ওপৰত সুদূৰপ্ৰসাৰী প্ৰভাৱ বিস্তাৰ কৰি আহিছে। এই শিক্ষাৰ শিক্ষানুষ্ঠানৰ শিক্ষাদান ব্যৱস্থা মৌখিকভাৱে প্ৰচলিত আছিল। ইয়াত হিন্দু, মুছলমান সকলো শ্ৰেণীৰ ছাত্ৰক শিক্ষা দিয়াৰ ব্যৱস্থা আছিল। এই শিক্ষাৰ অনুষ্ঠান সমূহে আনুষ্ঠানিক শিক্ষা লাভ নকৰা গাৱঁলীয়া লোকসকলক প্ৰকৃততে আনুষ্ঠানিক শিক্ষাৰ যোগ্যতাৰ মানপত্ৰ লাভৰ ব্যৱস্থা নাথাকিলেও দেশীয় শিক্ষানুষ্ঠানবোৰে ভাৰতীয় সকলৰ ধৰ্মীয়, সামাজিক আৰু সাম্প্ৰদায়িক জীৱনত শিক্ষাৰ প্ৰয়োজনীয়তা পূৰণ কৰি আহিছিল। এনে ধৰণৰ শিক্ষানুষ্ঠানসমূহে সমাজৰ শিক্ষাৰ্থীক শিক্ষা, বিদ্যালয়, মন্দিৰ, মছজিদ বা কোনো ধনী জমিদাৰৰ ঘৰত বা গছৰ ছাঁত বা শিক্ষকৰ ঘৰৰ চোতালত দিয়া হৈছিল, কিয়নো এনে বিদ্যালয়ত কোনো ধৰণৰ নিজা ঘৰ-দুৱাৰ নাছিল। এই বিদ্যালয়ত অনুশাসন আৰু শৃংখলা অতি কঠোৰ আছিল আৰু ছাত্ৰ-ছাত্ৰীক শাস্তি বিহাৰ ব্যৱস্থাও আছিল। বৰ্তমান দেশীয়

শিক্ষানুষ্ঠানসমূহ যেনে - মঠসমূহে বৌদ্ধ শিক্ষাৰ বিকাশৰ মুখ্য ভূমিকা পালন কৰে।

মিছনেৰী সকলে ইংৰাজী শিক্ষাৰ প্ৰতি দেখুওৱা নানা প্ৰলোভনৰ ফলত জনসাধাৰণ এই শিক্ষাৰ প্ৰতি আকৰ্ষিত হৈছিল। তদুপৰি দেশীয় শিক্ষাত থকা বৈষম্যৰ মনোভাৱৰ বাবে এই শিক্ষাৰ প্ৰতি মানুহৰ মনত বিৰূপ মনোভাৱে গা কৰি উঠিছিল। ইংৰাজী শিক্ষাৰে শিক্ষিত ভাৰতীয় সকলে ইংৰাজৰ অধীনত চাকৰি কৰাৰ সুবিধা লাভ কৰাৰ আশাতে ইংৰাজী শিক্ষাৰ প্ৰতি অধিক আকৰ্ষিত হ'ল আৰু দেশীয় শিক্ষাক অদৰকাৰী বুলি ভাবিবলৈ ধৰিলে। দেশীয় শিক্ষাৰ উন্নতিৰ বাবে ইংৰাজ প্ৰশাসনে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ নকৰাৰ ফলত দেশীয় শিক্ষাৰ অৱনতি ঘটিল।

বৰ্তমান সমাজ ব্যৱস্থাত টোলসমূহে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। কাৰণ অতীত সংস্কৃত আৰু পৰম্পৰাক সংৰক্ষণ কৰাটোৱে হৈছে ইয়াৰ মূল উদ্দেশ্য। আনহাতে পাঠশালা, মোক্তাৰ, মাদ্ৰাছা, সত্ৰ আৰু নামঘৰ আদিয়েও বৰ্তমান সমাজ ব্যৱস্থাত প্ৰভাৱ পেলাইছে। এই শিক্ষানুষ্ঠানসমূহে সমাজত সকলো সৰ্বসাধাৰণ লোকক পৰিস্থিতি আৰু প্ৰয়োজনৰ লগত খাপ খোৱাকৈ গঢ়ি তোলাৰ ব্যৱস্থা কৰিছে। দেশৰ ঐক্য সংহতি স্থাপন কৰিছে।

4.0 সামৰণি (Conclusion): ওপৰৰ আলোচনাৰ পৰা

Head
Dept. of Education
N.C.D.G. College, Nitaipukhuri

বুলিব পাৰি যে বৰ্তমান শিক্ষা ব্যৱস্থাত দেশীয় শিক্ষাৰ অনুষ্ঠানসমূহে আগবঢ়োৱা পৰামৰ্শ সমূহ অতি গুৰুত্বপূৰ্ণ। দেশীয় শিক্ষানুষ্ঠানৰ অবিহনে বৰ্তমান শিক্ষা ব্যৱস্থা গঢ় লৈ উঠিব নোৱাৰে। বৰ্তমান সময়ত সত্ৰ, নামঘৰ আদিসমূহে অতি উচ্চ স্থান আৰু ই অসমীয়া সমাজত এক শক্তিশালী ভূমিকা পালন কৰি আহিছে। বৰ্তমান সময়তো এই সমূহক কেন্দ্ৰ কৰিয়েই অসমৰ গ্ৰাম্য সমাজ একত্ৰিত আছে। বৰ্তমান এই শিক্ষানুষ্ঠান সমূহ সমাজ সংস্কাৰৰ কেন্দ্ৰ বুলি ক'ব পাৰি। নামঘৰ, মঠ, সত্ৰ, মাদ্ৰাছা আদিৰ যোগেদি জনসাধাৰণৰ মাজত মিলা-প্ৰীতি, সামাজিক, সংস্কৃতি, চিন্তাধাৰা আৰু নৈতিক চৰিত্ৰ গঢ় লৈ উঠে।

Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri